Mahesh Chandra Dev Goswami Library
Acc. No.........
Date...............
Nowgong Girls' College

**2016**

# ASSAMESE

( Major )

Paper : 4.1

*Full Marks* : 75

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ দিয়া : ১×১০=১০

(ক) ব্যাকৰণ শব্দৰ ব্যুৎপত্তিগত অৰ্থ কি ?

(খ) নাথান ব্ৰাউনে ৰচনা কৰা অসমীয়া ভাষাৰ ব্যাকৰণখনৰ নাম কি ?

(গ) *Assamese : Its Formation and Development* কাৰ ৰচনা ?

(ঘ) অসমীয়া ভাষাৰ বিশিষ্ট নাসিক্য ব্যঞ্জনকেইটা কি কি ?

(ঙ) অসমীয়া গোলোক ব্যাকৰণৰ ভাগ দুটা কি কি ?

(চ) 'Syntactic Structure'ৰ প্ৰণেতা কোন ?

(ছ) প্ৰাতিপদিকৰ পাছত যোগ হোৱা প্ৰত্যয়ক কি প্ৰত্যয় বোলা হয়?

(জ) ভাষা এটাৰ 'ক্ষুদ্ৰতম অৰ্থবহ গোট' কি?

(ঝ) অসমীয়া ভাষাত কেইটা প্ৰকাৰৰ কাৰক আছে?

(ঞ) ফাৰ্ডিনান্ড ডি. ছছ্যুৰৰ মতে 'parole' মানে কি?

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) অসমীয়া ভাষাত প্ৰথমে কোনে ব্যাকৰণ ৰচনা কৰিছিল আৰু ব্যাকৰণখনৰ নাম কি?

(খ) মুক্ত বিকল্প (Free variation) কাক বোলে?

(গ) উপাকৃতি কাক বোলে?

(ঘ) স্ত্ৰী-প্ৰত্যয় কেইটা আৰু কি কি?

(ঙ) পৰসৰ্গৰ চাৰিটা উদাহৰণ দিয়া।

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৩=১৫

(ক) পৰম্পৰাগত ব্যাকৰণৰ সীমাবদ্ধতা সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(খ) অসমীয়া ভাষাৰ লিঙ্গ-নিৰপেক্ষ ৰূপ কি? তাৰ পৰা লিঙ্গ-সাধন কিদৰে কৰিব পাৰি, লিখা।

(গ) অসমীয়া ভাষাৰ ব্যাকৰণগত বিষয় সম্পৰ্কে এটা চমু টোকা প্ৰস্তুত কৰা।





(ঘ) অসমীয়া পুৰুষবাচক নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ ব্যৱহাৰ সম্পৰ্কে লিখা।

(ঙ) ক্ৰিয়াৰ ন্যন্তাৰ্থক ৰূপৰ ব্যৱহাৰ উদাহৰণসহ আলোচনা কৰা।

৪। (ক) ব্যাকৰণ কাক বোলে? ব্যাকৰণ ৰচনাৰ উদ্দেশ্য কি? ব্যাকৰণৰ প্ৰকাৰভেদ উল্লেখ কৰি বৰ্ণনাত্মক ব্যাকৰণৰ দুটা বিশিষ্ট শাখাৰ বিষয়ে আলোচনা কৰা। ১+২+৩+২+২=১০

*অথবা*

(খ) "অসমীয়া ভাষাটোৰ গঠনৰ প্ৰতিফলন হোৱা ভাষা-বিজ্ঞানসন্মত ব্যাকৰণৰ নিতান্তই প্ৰয়োজন।" উক্ত মন্তব্যৰ আঁত ধৰি অসমীয়া ভাষাৰ ব্যাকৰণ ৰচনাৰ ইতিহাসত 'ভাষাবিজ্ঞানসন্মত' ব্যাকৰণ ৰচনা হোৱা বুলি তুমি অনুভৱ কৰানে? তোমাৰ মন্তব্যৰ সপক্ষে যুক্তি প্ৰদৰ্শন কৰা। ১০

৫। (ক) বিশিষ্ট ধ্বনি বুলিলে কি বুজা? অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনি কেইটা? উচ্চাৰণৰ স্থান আৰু ধৰণ অনুসৰি এইবোৰৰ এখন তালিকা প্ৰস্তুত কৰা। এই ধ্বনিবোৰ বুজাবলৈ অসমীয়াত কি কি আখৰ ব্যৱহাৰ কৰা হয়? ১+১+৪+৪=১০

*অথবা*

(খ) নিৰ্দিষ্টতাবাচক আৰু অনিৰ্দিষ্টতাবাচক প্ৰত্যয় কাক বোলে? অসমীয়া ভাষাত এইবোৰৰ প্ৰয়োগ উদাহৰণসহ আলোচনা কৰা। ৫+৫=১০

৬। (ক) সম্প্ৰদান কাৰক কাক বোলে? কোনো কোনো বৈয়াকৰণিকে অসমীয়াত সম্প্ৰদান কাৰক নাই বুলি প্ৰকাশ কৰা অভিমতৰ লগত তুমি একমতনে? সংস্কৃত আৰু অসমীয়া সম্প্ৰদান কাৰকত বিভক্তি প্ৰয়োগ উদাহৰণেৰে বুজাই দিয়া। ১০

*অথবা*

(খ) 'খা' ধাতুৰ সৈতে বিভিন্ন কাল, পুৰুষ আৰু ভাৱ অনুযায়ী ক্ৰিয়া বিভক্তিবোৰ লগ লাগিলে কি ৰূপ লয়, এখন তালিকা প্ৰস্তুত কৰি বুজাই লিখা। ১০

৭। (ক) বাক্য কাক বোলে? ভাৱ আৰু গঠন অনুসৰি অসমীয়া ভাষাৰ বাক্যক কি কি ভাগত ভগাব পাৰি, উদাহৰণসহ আলোচনা কৰা। ২+৪+৪=১০

*অথবা*

(খ) কৃত প্ৰত্যয় আৰু তদ্ধিত প্ৰত্যয় কাক বোলে? এই দুবিধ প্ৰত্যয়ৰ সহায়ত কেনেদৰে নতুন শব্দ সৃষ্টি কৰিব পাৰি, উদাহৰণসহ বুজাই লিখা। ৪+৬=১০

★★★